# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-03-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

৯ দিনৰ বিৰতিৰ মূৰত অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কাৰ্যক্ৰমণিকা কাইলৈৰ পৰা দিছপুৰত অনুষ্ঠিত হ'ব। কাইলৈৰ পৰা শুকুৰবাৰলৈ সদনৰ বৈঠকৰ সময়ছোৱাত কেইবাখনো বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যখনৰ সাধাৰণ বাজেট উত্থাপন কৰিব। ১১ আৰু ১২ মাৰ্চত বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ১৩ৰ পৰা ২০ মাৰ্চলৈ সদনৰ স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে বিধানসভাৰ কাম-কাজ স্থগিত থাকিব। ২১, ২৪ আৰু ২৫ মাৰ্চত পুনৰ সদনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হ'ব আৰু ২৫ মাৰ্চত অসম বিধানসভাৰ এইবাৰৰ অধিৱেশন অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হ'ব। উল্লেখযোগ্য যে যোৱা ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰত প্ৰথম দিনৰ কাৰ্যসূচীত ৰাজ্যপালৰ ভাষণেৰে এই অধিৱেশন আৰম্ভ হৈছিল।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিধানসভা অধিৱেশন অনুষ্ঠিত হোৱা দিনত প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে **বিধানসভাত আজিৰ দিনটো** শীৰ্ষক প্ৰচাৰ কৰিব। ইয়াৰ উপৰি ১০ মাৰ্চত বিত্তমন্ত্ৰীয়ে সদনত দিয়া বাজেট ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ সম্প্ৰচাৰ কৰিব।

ooooo

ৰাজ্য চৰকাৰে পৰহিলৈ গুৱাহাটীৰ খানাপাৰাত থকা গ্ৰীণ উড ৰিজোৰ্টত নিয়োগকৰ্তাৰ অভিৱৰ্তন ২০২৫ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। ৰাজ্যখনৰ প্ৰতিভাবান যুৱক-যুৱতীসকলক সুযোগ সন্ধানৰ সুবিধা দিয়াৰ বাবে এই অভিৱৰ্তনৰ আয়োজন কৰা হৈছে। তদুপৰি এই অনুষ্ঠানৰ জৰিয়তে নিয়োগ বিনিময় কাৰ্যসূচীসমূহ সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। এই কাৰ্যসূচীত মুকলি আলোচনা আৰু উন্নয়নৰ বাবে যোগাযোগ বৃদ্ধিৰ প্ৰয়াস চলোৱা হ'ব। ৰাজ্য চৰকাৰে এই অনুষ্ঠানত অধিক সংখ্যক লোকৰ অংশগ্ৰহণ কামনা কৰিছে।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে গুৱাহাটীত অনুষ্ঠিত সদৌ অসম সন্মিলিত শিক্ষক মঞ্চৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধি সভাত অংশগ্ৰহণ কৰে। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে তেওঁৰ ভাষণত ৰাজ্যৰ বিদ্যালয় শিক্ষাৰ উন্নয়নত অনবদ্য অৱদান আগবঢ়োৱা শিক্ষক সমাজলৈ কৃতজ্ঞতা জ্ঞাপন কৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতি প্ৰয়োগ কৰাৰ সন্ধিক্ষণত সাধাৰণ শিক্ষাৰ লগতে দক্ষতা বিকাশৰ শিক্ষা প্ৰদান কৰাৰ প্ৰত্যাহ্বানমূলক দায়িত্ব পালন কৰিবলৈ তেওঁ লগতে শিক্ষক সমাজলৈ আহ্বান জনায়। সভাত শিক্ষক মঞ্চই উত্থাপন কৰা প্ৰাদেশিকীকৰণ, সেৱা বিধি, প্ৰধানশিক্ষক নিযুক্তি আদি সমস্যাসমূহ সহমৰ্মিতাৰে সমাধান কৰাৰ বাবে চৰকাৰে লোৱা পদক্ষেপসমূহ শিক্ষামন্ত্ৰীগৰাকীয়ে মুকলিভাৱে আলোচনা কৰে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নির্দেশৰ পাছতে ৰাজ্যৰ হাইস্কুল সমূহত প্রধান শিক্ষক নিযুক্তি প্রক্রিয়া আৰম্ভ হোৱাৰ পথ প্রশস্ত হৈ পৰিছে। ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাইয়ে কালি সকলো জিলাৰ বিদ্যালয়সমূহৰ পৰিদর্শকলৈ এই সন্দৰ্ভত পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰৰ জৰিয়তে প্ৰাদেশিকৃত হাইস্কুলসমূহত প্ৰধান শিক্ষক পদলৈ পদোন্নতিৰ বাবে জিলা বাছনি সমিতিয়ে প্ৰস্তুত কৰা তালিকা ১০ দিনৰ ভিতৰত বন্ধ খামত দাখিল কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। সমগ্ৰ বিষয়টো অতি জৰুৰী হিচাপে বিবেচনা কৰিবলৈও নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ২৮ ফেব্ৰুৱাৰীত গুৱাহাটী উচ্চ ন্যায়ালয়ে সংশোধিত অসম মাধ্যমিক শিক্ষা সেৱা বিধিৰ অধীনত ৰাজ্যৰ হাইস্কুলসমূহত প্ৰধান শিক্ষক নিযুক্তি প্ৰক্ৰিয়া ক্ষীপ্ৰ কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়ে। এনে নিৰ্দেশনাৰ পাছতে এতিয়া চৰকাৰে হাইস্কুলসমূহত নিয়মীয়া প্ৰধান শিক্ষক নিযুক্তি প্ৰদানৰ বাবে তৎপৰতা চলাইছে।

০০০০০

চিৰাং জিলাৰ বিজনীত অহা বছৰৰ জানুৱাৰীত হ'বলগীয়া বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক বাৰ্ষিক অধিবেশনৰ বাবে আজি পৰিচালনা সমিতিসমূহ গঠন কৰা হয়। এই অধিবেশনৰ বাবে ২৪খন উপ-সমিতিৰ লগতে ৯১জন সদস্যৰে আদৰণি সমিতিখন গঠন কৰা হয়। ১৯৫২ চনৰ ১৬ নৱেম্বৰত চিৰাং জিলাৰ ৰনচাই ধামত বড়ো সাহিত্য সভাৰ জন্ম হৈছিল। এইবাৰ অধিবেশনৰ বিশিষ্ট অতিথি হিচাপে নবেল বঁটা প্ৰাপকৰ লগতে কেইবাগৰাকীও সন্মানীয় ব্যক্তিক আমন্ত্ৰণ জনোৱা হ'ব বুলি সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। তেওঁ অধিবেশনখন সফল কৰি তোলাৰ বাবে সকলো জাতি-জনগোষ্ঠীৰ লোকক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০

বাক্সা জিলাৰ শালবাৰীৰ সীমান্তৱৰ্তী বৰপেটা জিলাৰ গামাৰীগুৰিত আজি বেঁকী নৈত শিল-বালি খনন বন্ধ কৰাৰ প্ৰতিবাদত সদৌ অসম ছাত্ৰ সন্থা আৰু অসম সাহিত্য সভাৰ সদস্যসকলে মানৱ শৃংখল কাৰ্যসূচী পালন কৰে। গোৱৰ্দ্ধনা আঞ্চলিক আছু, শাখা সাহিত্য সভাৰ উদ্যোগত তথা বৃহত্তৰ গামাৰীগুৰি, হটাপাৰা ৰাইজৰ সহযোগত এই কাৰ্যসূচী পালন কৰা হয়। এই কাৰ্যসূচীৰ জৰিয়তে বেঁকী নৈত অবৈধভাৱে চলি অহা বালি আৰু শিল খনন বন্ধ কৰিবলৈ দাবী জনোৱা হয়।

০০০০০

নিউজিলেণ্ডৰ বিৰুদ্ধে আজি ডুবাইত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ লীগৰ অন্তিম খেলখনত ভাৰতে প্ৰথমে বেট ধৰি বাতৰি যুগুতোৱাৰ পৰলৈকে ৫টা উইকেট হেৰুৱাই ১৮১ ৰাণ সংগ্ৰহ কৰিছে। শ্ৰেয়াছ আয়াৰ ৭৯ ৰাণ কৰি কিছুসময়ৰ পূৰ্বে আউট হয়। দলৰ হৈ অক্ষৰ পেটেলে ৪২ ৰাণৰ বৰঙণি আগবঢ়ায়। অৱশ্যে খেলুৱৈ জীৱনৰ ৩০০ সংখ্যক এদিনীয়াত অৱতীৰ্ণ হোৱা বিৰাট কোহলী ১১ ৰাণ কৰি আউট হয়। অধিনায়ক ৰোহিত শৰ্মা আৰু আনজন অপেনাৰ শুভমন গিল ব্যৰ্থ হয়। উল্লেখযোগ্য যে খেলখনত টছত জিকি নিউজিলেণ্ডে প্ৰথমে বলিঙৰ সিদ্ধান্ত লয়।

০০০০০

সমাপ্ত